শ্ৰীযতীন মালী, এম, এ
ৰাজ্যিক মন্ত্ৰী
শিক্ষা, বিজ্ঞান, প্ৰযুক্তিবিদ্যা আৰু পৰিবেশ,
দিশপুৰ, অসম

তাৰিখ—১৬ / ৯ / ৮৭ ইং

# শুভেচ্ছা বাণী

জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ মুখপত্ৰ ' জৱাহৰ জ্যোতি ' ৰ নৱম সংখ্যাটি প্ৰকাশ কৰিব বুলি জানিবলৈ পাই মই আনন্দিত হৈছোঁ । মুখপত্ৰখনৰ জৰিয়তে মহাবিদ্যালয়খনৰ এটি খতিয়ান দাঙি ধৰাৰ লগতে ছাত্ৰ-ছাত্ৰী সকলে সাহিত্য চৰ্চাৰ সুযোগ পাব । মুখপত্ৰখনৰ সফলতা কামনা কৰাৰ লগতে ইয়াৰ উদ্যোক্তা তথা ছাত্ৰ-ছাত্ৰীসকললৈ মোৰ আন্তৰিক শুভেচ্ছা জনালোঁ ।

স্বা: যতীন মালী
১৬ / ৯ / ৮৭

# এই সংখ্যাৰ

## কবিতাৰ কৰণিত ঃ


| | | | | |
|---|---|---|---|---|
| অৱশেষত ঘূৰি আহে নদী | ঃ | বিৰিঞ্চি কুমাৰ বাভা | ঃ | ১ |
| ফাগুন যেতিয়া আহে | ঃ | চিত্ৰমোহন বাভা | ঃ | ২ |
| মই যেন অকলশৰীয়া | ঃ | চাজিদা চুলতানা | ঃ | ২ |
| এজন স্বদেশী বন্ধুলৈ | ঃ | অমিয় বাভা | ঃ | ৩ |
| মই ভাল পাওঁ | ঃ | সংগীতা বাভা | ঃ | ৪ |
| বিগত দিনবোৰলৈ | ঃ | বুদ্ৰকান্ত বাভা | ঃ | ৪ |
| মোৰ কল্পনা আৰু চিন্তা | ঃ | কনক সাউদ | ঃ | ৫ |
| ক্ষুধাতুৰ আত্মা | ঃ | শংকৰ বাভা | ঃ | ৬ |
| প্ৰণয় তীৰ্থ | ঃ | সুদৰ্শন কলিতা | ঃ | ৬ |
| ছমৰীয়া এটি নিশা | ঃ | নীলমণি মহন্ত | ঃ | ৭ |
| এতিয়া সময় | ঃ | নন্দলাল তুলশীয়াৰী | ঃ | ৮ |
| জীৱন তৃষ্ণা | ঃ | বীৰেণ চন্দ্ৰ বাভা | ঃ | ৮ |
| মৰমৰ চুনুৰীয়া | ঃ | হৰিনাৰায়ণ ৰয় | ঃ | ৯ |
| অনুভূতি | ঃ | সুনীল ঠাকুৰীয়া | ঃ | ১০ |
| পৰিচয় | ঃ | দেৱেনদীপ বৰ্মণ | ঃ | ১০ |
| মন যায় | ঃ | নীৰা বায়ন | ঃ | ১১ |
| স্বাগত সময়ত | ঃ | ৰঞ্জিত কুমাৰ বাভা | ঃ | ১২ |
| তুমি | ঃ | গৌৰাঙ্গ চৌধুৰী | ঃ | ১৩ |
| কবি-শিল্পী ৰমেশৰ মৃত্যুত | ঃ | বসন্ত দত্ত | ঃ | ১৪ |
| সংগ্ৰহ | ঃ | | ঃ | ১৬ |


## গল্পৰ কুকিত ঃ


| | | | | |
|---|---|---|---|---|
| পৰেশ ৰায়ক লগ পাইছিলোঁ | ঃ | সুশীল কুমাৰ চৌধুৰী | ঃ | ১৭ |
| প্ৰতীক্ষাৰ অন্তত | ঃ | কমল কুমাৰ কলিতা | ঃ | ২৪ |
| মৌন ক্ৰন্দন | ঃ | ডালিমী বড়ো | ঃ | ২৮ |

# প্ৰবন্ধৰ শৰাইত ঃ


| | | | |
|---|---|---|---|
| আধুনিক ভাৰত আৰু সাম্প্ৰদায়িকতাৰ আদি পৰ্ব | ঃ দ্বিজেন দাস | ঃ | ৩২ |
| আহোম যুগৰ এটি দিশ-সাহিত্য | ঃ অতুল দাস | ঃ | ৩৬ |
| অসমীয়া অঙ্কীয়া নাটৰ সূত্ৰধাৰ আৰু পুৰ্বাণ গ্ৰীক নাটকৰ ক'ৰাছৰ বৈশিষ্ট্য | ঃ মায়াবাণী বড়ো | ঃ | ৪০ |


# অন্যান্য শিতানত ঃ


| | | | |
|---|---|---|---|
| সাক্ষাৎকাৰ শিতান এজন ডেকা বিজ্ঞানীৰ সতে | ঃ | ঃ | ৪৩ |


# খেল শিতান ঃ


| | | | |
|---|---|---|---|
| বৰ্ডলাইন আৰু ট্ৰ্যাজিক হিৰো | ঃ | ঃ | ৪৫ |
| সম্পাদকীয় প্ৰতিবেদনসমূহ | ঃ | ঃ | ৪৭--৫৫ |


* লিখকৰ নাম উল্লেখ নথকা ৰচনা সমূহ সম্পাদনা সমিতিৰ তৰফৰ পৰা আগবঢ়োৱা হৈছে ।

# সম্পাদকীয়

## থূলমূলকৈ আমাৰ চেৰেক ঃ অসমীয়া সাহিত্য আৰু সাহিত্যিক সন্দৰ্ভত ঃ

ভাৰতৰ অন্যান্য প্ৰান্তৰ সাহিত্যৰ মানদণ্ডেৰে নিৰ্ণয় কৰিলে সাম্প্ৰতিক অসমীয়া সাহিত্যই এক উল্লেখযোগ্য স্থান অধিকাৰ কৰি থকা বুলিয়ে কব লাগিব। বিশেষকৈ গল্প, কবিতা, উপন্যাস, সমালোচনা আদিৰ ক্ষেত্ৰত অসমীয়া সাহিত্যৰ স্থান আজি নিঃসন্দেহে উল্লেখযোগ্য। এই কৃতিত্বৰ প্ৰধান অংশীদাৰ কিন্তু আমাৰ প্ৰাক্ স্বাধীন যুগৰ পৰা লিখি অহা প্ৰাচীন সাহিত্যিক সমালোচক সকল। দেশৰ আৰ্থ-সামাজিক পৰিৱৰ্তনলৈ লক্ষ্য ৰাখি আৰু লগতে বহিঃজগতৰ সাহিত্যৰ বিভিন্ন দিশত সৃষ্টি হোৱা সলনিৰ বতাহলৈ লক্ষ্য ৰাখি তেওঁলোকৰ বহুতে আজিও অবিৰত ভাৱে লিখিয়ে আছে। নিঃসন্দেহে তেওঁলোকৰ নিৰৱচ্ছিন্ন উৎসাহ, অধ্যয়ন আৰু সাধনাই তেওঁলোকক স্বনামধন্য আৰু প্ৰশংসাযোগ্য কৰি তুলিছে। আজি অসমীয়া সাহিত্যৰ বৰ সৰাহখন এইবোৰ সাহিত্যিক সমালোচকক বাদ দি কল্পনা কৰিলে নিশ্চয় বৰ উৰুঙা আৰু সেৰেঙা লাগিব। স্বাধীনোত্তৰ যুগত জন্ম পোৱা অথবা লিখিবলৈ আৰম্ভ কৰা আমাৰ নবীন লেখক-লেখিকা সকলৰ কিছুমানেও ইতিমধ্যে প্ৰতিষ্ঠাৰ সোপানত কিছুদূৰ আগবাঢ়ি গৈছে। কিন্তু কিছুমানে সম্ভাৱনাৰ স্বাক্ষৰ বহন কৰি ওলাই আহিলেও সুনিৰ্দিষ্ট দৰ্শনৰ অভাৱত অথবা আন কোনো কাৰণত প্ৰতিষ্ঠাৰ সোপানত অদ্যাপি খোজ পেলাবহি পৰা নাই— আলিদোমোজাত বাট কেণা লগা পথিকৰ দৰে লক্ষ্য স্থানলৈ তেওঁলোকৰ গতি যেন থৰক-বৰক। অৱশ্যে সময় তেওঁলোকৰ এতিয়াও উকলি যোৱা নাই। আমি আশা ৰাখিছোঁ, প্ৰবীনসকলৰ দৰে তেওঁলোকেও আশাশুধীয়া চেষ্টা, উৎসাহ, অধ্যয়ন, সাধনা আৰু সুনিৰ্দিষ্ট লক্ষ্যৰে অনুপ্ৰাণিত হৈ, দেশৰ আৰ্থসামাজিক পৰিৱৰ্তনৰ লগত বজিতা খুৱাই আৰু সাম্প্ৰতিক কালত গঢ় লোৱা আৰু স্বীকৃতি লাভ কৰা সাহিত্যৰ কলাগত পৰিৱৰ্তন সমূহ নিষ্ঠাৰে আৰু নিখুঁতকৈ অনুধাৱন কৰি জনমুখী বাস্তৱ সাহিত্যৰ সৃষ্টিত আত্ম নিয়োগ কৰিব।

## দুটামান অভাৱৰ কথা ঃ

আমাৰ ভাষা-সাহিত্যৰ দুটামান চকুত পৰা আৰু সদায় অনুভৱ কৰি অহা অভাৱৰ কথা এইখিনিতে উল্লেখ কৰাটো অবান্তৰ নহব।

প্ৰথমতে উল্লেখ কৰিব লাগিব এখন সুবৃহৎ আধুনিক অভিধানৰ অভাৱ। কোৱা বাহুল্য, স্বনামধন্য পুৰণি যিদুখন অভিধান আছে সেই দুখনে সাম্প্ৰতিক কালৰ অসমীয়া সাহিত্যৰ লেখক-লেখিকা আৰু পঢ়ুৱৈ সমাজৰ চাহিদা সম্পূৰ্ণৰূপে পূৰাব নোৱাৰে কেইটামান বিশেষ কাৰণত। সাম্প্ৰতিক কালত অসমীয়া বহু শব্দৰ বানান-ৰীতিৰ সলনি ঘটোৱা হৈছে। পৰিৱৰ্তিত বানান-ৰীতিৰে লিখা শব্দবোৰ স্বাভাৱিকতে উক্ত অভিধান দুখনত আন প্ৰকাৰে লিখা আছে। তাৰোপৰি, অন্যান্য ভাষাৰ বহু শব্দই সঘন ব্যৱহাৰৰ ফলত আমাৰ ভাষাত জীণগৈ অসমীয়া ৰূপ লাভ কৰিছে। সাহিত্যিক সমালোচক সকলৰ লিখনিতো সিবোৰে স্থান পাই ব্যৱহাৰৰ ঔচিত্য সাব্যস্ত কৰিছে। উল্লেখিত অভিধান দুখনত এই শব্দবোৰ যে পাবলৈ নাই সেয়া সহজে অনুমেয়। বিজ্ঞান আৰু কাৰিকৰী বিষয়ক বহু শব্দও ইতিমধ্যে আমাৰ

দৈনন্দিন জীৱনৰ ব্যৱহাৰত অপৰিহাৰ্য হৈ পৰিছে অথচ সেইবোৰ শব্দ হাত মেলি লগ পোৱা আমাৰ ভাষাৰ অভিধানত পাবলৈ নাই। সুবৃহৎ আধুনিক অসমীয়া অভিধান এখনৰ প্ৰয়োজনীয়তা যে এনেবোৰ গুৰুত্বপূৰ্ণ কাৰণতে কোৱা নিষ্প্ৰয়োজন। ১৯৭৭ চনত অসম প্ৰকাশন পৰিষদৰ দ্বাৰা প্ৰকাশিত ৫৮১ পৃষ্ঠাৰ যিখন অভিধানলৈ সাম্প্ৰতিক কালৰ অসমীয়া ভাষাৰ প্ৰতিনিধিত্বমূলক অভিধান হিচাবে অঙুলিয়াব পাৰি সেইখন কিন্তু কেবাটা কাৰণত সুবিধাজনক নহয়। প্ৰথম কথা হ'ল, ইয়াৰ পৰিসৰ অত্যন্ত ঠেক। বহু প্ৰয়োজনীয় শব্দ অন্তৰ্ভুক্তিৰ পৰা বাদ পৰি গৈছে। তাৰোপৰি যিবিলাক শব্দ অন্তৰ্ভুক্ত কৰা হৈছে সেইবোৰৰ ব্যুৎপত্তিগত ব্যাখ্যা সন্নিৱিষ্ট কৰা হোৱা নাই। গোটেই কামটোৱে খৰ-খেদাকৈ অথবা শ্ৰম-মনোযোগৰ উচিত প্ৰয়োগ নকৰাকৈ কৰা পালমাৰা বিধৰ কাম যেনেহে লাগে। ১৯৮৭ চনৰ ডিচেম্বৰত এই অভিধানৰ ৩য় সংস্কৰণ প্ৰকাশ পাইছে। কিন্তু গুণগত ভাবে ইয়াৰ তিলমাত্ৰও পৰিবৰ্ধন তথা উন্নতি চকুত নপৰিল। আ:শ দহবছৰৰ ভিতৰত দাম দুগুণ বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। নক'লেও হয়, আন এখন সুবিধাজনক আধুনিক অভিধানৰ অভাৱতহে গ্ৰাহকে এইখন ক্ৰয় কৰিব লগাত পৰিছে আৰু ইয়াৰো তৃতীয় সংস্কৰণৰ মুখ দেখাৰ সৌভাগ্য হৈছে। সাধাৰণতে পৰৱৰ্তী সংস্কৰণ সমূহত গ্ৰন্থ একোখনে পৰিবৰ্ধন তথা উন্নতি লাভ কৰাটো বাঞ্ছনীয় আৰু প্ৰয়োজনীও। অভি-ধান এখনৰ বেলিকাতো এনে প্ৰয়োজনীয়তা আৰু বেছি কিন্তু আমি ক্ষোভ আৰু হতাশাৰে লক্ষ কৰিছো, আলোচ্য অভিধানখনৰ পৰিবৰ্ধন বা উন্নতি হোৱাতো দূৰৰে কথা, আনকি প্ৰথম সংস্কৰণৰ 'নিবেদন'ত সম্পাদক তিনিগৰাকীৰ দুগৰাকীয়ে অভিধানৰ শেষৰ ফালে জোৰা দিয়া 'সংযোজ্ঞ।' অধ্যায়ত অন্তৰ্ভুক্ত শব্দবোৰ পৰৱৰ্তী সংস্কৰণত যথাস্থানত অন্তৰ্ভুক্ত কৰাৰ যি আশা বা প্ৰতিশ্ৰুতি দিছিল দ্বিতীয় সংস্কৰণতো সেয়া ফলৱতী হৈ নুঠিলে, আনকি তৃতীয় সংস্কৰণতো নহ'ল। এই সন্দৰ্ভত আমাৰ কবলগীয়া এয়ে যে এই অভিধানখনৰ আন এটা পৰিবৰ্ধিত আৰু উন্নত সংস্কৰণ শীঘ্ৰে প্ৰকাশ কৰৰ লাগে—সময় খৰছ কৰিব পৰা, নিষ্ঠাবান, অধ্যৱসায়ী কৃতবিদ্য ব্যক্তিৰ সম্পাদনাত। চৰকাৰী খৰছত যিহেতু প্ৰকাশন পৰিষদৰ গ্ৰন্থসমূহ প্ৰকাশ কৰা হয়, উপযুক্ত পাৰিশ্ৰমিক দিলে যোগ্য ব্যক্তিৰ অভাৱ নিশ্চয় নহব। অসম সাহিত্য সভায়ো এই কাম কৰিব পাৰে; কৰা উচিত যেহেতু অসমীয়া ভাষা সাহিত্যৰ প্ৰতি দায়বদ্ধতা এই সংগঠনৰে আটাইতকৈ বেছি।

অনুবাদৰ ক্ষেত্ৰত আমি বাৰুকৈয়ে পিচ পৰি আছো বুলি কলেও সম্ভৱ ভুল কোৱা নহব। আন ভাষাৰ পৰা আমাৰ ভাষালৈ ইতিমধ্যে ভালেমান গ্ৰন্থ অনূদিত হৈছে। কিন্তু মুষ্টিমেয় কিছু সংখ্যক গ্ৰন্থৰ বাহিৰে আমাৰ ভাষাৰ মূল্যবান আৰু লেখত লবলগীয়া গ্ৰন্থ সমূহ আন ভাষালৈ অনূদিত হোৱা নাই। বিশেষকৈ ইংৰাজী ভাষালৈ আমাৰ বাছকবনীয়া গল্প, কবিতা আৰু উপন্যাসসমূহ অনূদিত হোৱা অতীব প্ৰয়োজনীয়। এতিয়ালৈ যি হৈছে সেয়া বৎসামান্য। আমাৰ ধাৰণা, এনে অনুবাদে আমাৰ কবি, গল্পকাৰ আৰু ঔপন্যাসিকৰ অন্ততঃ কিছুমানক আন্তৰ্জাতিক প্ৰচাৰ আৰু খ্যাতি লাভ কৰাত সহায় কৰিব।

বিজ্ঞান ভিত্তিক, শিশুৰ উপযোগী আৰু কাৰি-কৰী জ্ঞান দিব পৰা কিতাপৰ সংখ্যাও আমাৰ ভাষাত যথেষ্ট নহয়। যোগ্য ব্যক্তি সমূহে এইবোৰ দিশতো অৰিহণা আগবঢ়াই এইবোৰ দিশো টনকিয়াল কৰি তোলা উচিত। প্ৰকাশক সকলেও এনেবোৰ কিতাপ প্ৰকাশ কৰিবলৈ হেলা নকৰি আগবাঢ়ি অহা উচিত।

কবিতা

# ॥ অৱশেষত ঘূৰি আছে নদী ॥

বিৰিঞ্চি কুমাৰ ৰাভা
২য় বাৰ্ষিক, স্নাতক মহলা

নিসিদ্ধ এলেকা অতিক্ৰম কৰি
মোৰ ৰক্তাক্ত বুকুৰ মাজলৈ
মোৰ ৰ'দে পোৰা কলিজাটোৰ কাষলৈ
মোৰ কাংখিত যৌৱনৰ গোলাপী হাঁহিৰ লহৰে লহৰে
অৱশেষত ঘূৰি আছে নদী ॥
মানুহৰ সুমিষ্ট হৃদয় নিৰ্মাণ কৰা কাৰখানাত
বৰণ কৰি থোৱা উৰ্বৰা মাটিৰ প্ৰসাৰতাত
অৱশেষত ঘূৰি আছে নদী ॥
অৱশেষত ঘূৰি আছে নদী
নগঠা বিবিধৰ শিপাই শিপাই
ম্লান পৰি উপচি থকা থৰ্ থৰ্ শৰবিদ্ধ
আকাশখনৰ আসন্ন সান্নিধ্যত ॥
আফ্ৰিকাৰ গভীৰ অৰণ্যৰ কৃষ্ণাঙ্গ কবিৰ বুদ্ধ কণ্ঠ স্বৰত
অৱশেষত ঘূৰি আছে নদী ॥
অৱশেষত ঘূৰি আছে নদী
শিল কোৱাৰীৰ শিলৰ ফাঁকে ফাঁকে
কমাৰ শালৰ হাতুৰীৰ টিক্-টাক শব্দত ॥
অনিবাৰ্য ৰাতি পুৱাৰ ৰক্তিম সূৰ্যৰ দৰে
জ্বলিকটা উমাল ৰ'দৰ সতে
অৱশেষত ঘূৰি আছে নদী ॥
নাঙলৰ সীৰলুৰ কোঁহে কোঁহে
অৱশেষত ঘূৰি আছে নদী ॥
মোৰ তন্দ্ৰালু চিন্তা আৰু চেতনাৰ গানৰ
লহৰে লহৰে অৱশেষত ঘূৰি আছে নদী ॥
অৱশেষত ঘূৰি আছে নদী
মোৰ বিষণ্ণ চকুৰ পতাত ॥

* * *

# ফাগুন যেতিয়া আহে

শ্ৰীচিত্ৰমোহন ৰাভা
১ম বাৰ্ষিক, উঃ মাঃ ( বিজ্ঞান শাখা )

শুকান বতাহত ফাগুন আহে
আকাশ ৰঙাই পলাশে হাঁহে
মদাৰৰ ডালতো জুই-ফুল জ্বলে
চঞ্চল বতাহত আইৰ চুলি
জুবুলা হয়
নওঠা গছত মোৰ শৈশৱ
ওলমি বয়
সেয়েহে ফাগুন মোৰ প্ৰিয়জন ।

* * * *

# মই যেন অকলশৰীয়া

মিচ্ চাজিদা চুলতানা
৩য় বাৰ্ষিক, স্নাতক মহলা

ইমান মানুহ ইমান মৰম
অথচ ইমান অকলশৰীয়া
বহাগৰ বতৰো কিবা
সেমেকা সন্ধিয়া
সৃষ্টিৰ সমলয়ত বীণ বজাই
মানুহৰ জয়গান মানুহক শুনালো
বহুদিন বহুঠাইত মানুহক
হাঁহি হমুৱালো
তথাপিও মই কিয় অকলশৰীয়া !

* * * *

# এজন স্বদেশী বন্ধুলৈ !

শ্ৰীঅমিয় ৰাভা
২য় বাৰ্ষিক, স্নাতক মহলা

মাতৃভূমিত থিয় হৈ
তোমালৈ লিখা চিঠিৰ শব্দবোৰ আৰু প্ৰতিজ্ঞাবোৰ
মিছা হব পাৰে
কলা সন্মত নহব পাৰে তাৰ ভাষা
কিন্তু মোৰ স্বদেশৰ প্ৰতি ভাল পোৱাৰ চিহ্নবোৰ
নিশ্চয় সত্য
সেইবোৰ হৃদয়ৰ ভাষা
মোৰ হৃদয়ৰ প্ৰতিশ্ৰুতি !
স্নিগ্ধ প্ৰভাতী পোহৰত
আমি এখন অনৈক্যৰ প্ৰাচীৰ ভাঙিছোঁ
যিখন কাঁইটেৰে ভৰা,
আমি ভাগ্যৰ মুখা-মুখি হৈছোঁ
যিটো সময় আছিল সম্পূৰ্ণ এন্ধাৰে আৱৰা,
আমি সংকল্প লৈ জুইলৈও জঁপিয়াইছোঁ
উত্তৰ পুৰুষ'লৈ এমুঠি ধান সাঁচি থব'লৈ;
আমি বিচাৰিছোঁ অভিন্ন হৃদয়ৰ বন্ধুত্বৰ দৰে বাস কৰিব'লৈ
কাৰণ ! পৃথিবীত বাস কৰিবলৈ
জীৱনটো সপোন নহয়
নহয় সম্পূৰ্ণ চকুলোৰে ভৰা ।
স্বদেশী বন্ধু ! সময় হ'লহি নতুন পুৰুষক জগাই দিয়াৰ
স্বদেশৰ প্ৰতিটো আশাক, প্ৰতিটো চিন্তাক বাস্তৱ কৰিব'লৈ,
প্ৰতিজন প্ৰবীণৰ ভৱিষ্যত চিন্তাক শাশ্বত কৰিবলৈ,
প্ৰতি ইঞ্চি মাটিত পলস পেলাই শস্যৰ বাসভূমি কৰিব'লৈ ।
এইবোৰ হৃদয়ৰ ভাষা
মোৰ হৃদয়ৰ প্ৰতিশ্ৰুতি ।

△△△

## মই ভাল পাওঁ

মিচ্ সঙ্গীতা বাভা
১ম বাৰ্ষিক, উঃ মাঃ ( কলা )

মই ভাল পাওঁ
নাঙলৰ সীৰলুত
উন্মুখ হোৱা প্ৰোজ্বল সময় ।
মই ভাল পাওঁ
মাটি আৰু মানুহৰ আলিঙ্গনত থকা
সমৃদ্ধ হৃদয় ।
মই ভাল পাওঁ
গাঁভিন শষ্যৰ থোৰত
থুপ খাই থকা
সন্তোষজনক কবিতাৰ অমল উৎস ।
মই ভাল পাওঁ স্বাধীনতাৰ বিজয়ী ঘোঁৰা
মুক্ত আকাশৰ উন্মুক্ত বতাহ ।

* * * *

## বিগত দিনবোৰলৈ...... ...

শ্ৰীবুদ্ধকান্ত বাভা
২য় বাৰ্ষিক, উঃ মাঃ ( কলা )

মোৰ প্ৰতিটো নিশ্বাহত
সময়ৰ সতে গাঁথি যোৱা
মুকুতাৰ মালাধাৰি
ছিগি পৰে
ঠিক যেন চকুলো টোপাল ।
পুৰাণ পৃথিৱীৰ
শ্বাসৰুদ্ধ কোলাহলবোৰ
ক'ৰবাত ঠেকা খাই
বিলীন হৈ ৰয় ।

□□□

# মোৰ কল্পনা আৰু চিন্তা

শ্ৰীকনক চন্দ্ৰ সাউদ
১ম বাৰ্ষিক, স্নাতক মহলা

মই বাস কৰোঁ এখন নতুন জগতত,
যাক মই আঁকোঁ অশেষ তৃপ্তিৰে,
সহস্ৰ বাটে-ঘাটে মই বিচৰণ কৰোঁ,
কেতিয়াবা সাগৰৰ গভীৰ প্ৰান্তত,
কেতিয়াবা সমভূমিৰ বহল বুকুত
আৰু কেতিয়াবা হিমালয়ৰ ওখ শৃংগত ।
সকলোতে মই সমন্বয়ৰ সাঁকো নিৰ্মাণ কৰোঁ,
সকলোতে মই মানৱতাৰ বীজ ৰোপণ কৰোঁ,
মৌন ভাষাৰে মই গণতন্ত্ৰৰ ভেটি সুদৃঢ় কৰোঁ ।
অনৈক্যৰ প্ৰাচীৰ ভাঙি মই ছটিয়াই দিওঁ
জাতিৰ পাৰম্পৰিক জাতীয় চেতনা ।
মই নাশ কৰোঁ সহস্ৰ জীৱন ধুমুহাক,
উন্মত্ত যৌৱনৰ বাসনাক ।
মানুহ, জীৱ-জন্তু, চৰাই-চিৰিকটিৰ মাজত মই টানি দিওঁ
প্ৰীতিৰ নতুন দিগন্ত ৰেখা ।
মই জীয়াই আছোঁ আৰু জীয়াই থাকিম
মোৰ কল্পনা আৰু চিন্তাৰে ।

০০০

# ক্ষুধাতুৰ আত্মা

শ্ৰীশংকৰ বাভা
১ম বাৰ্ষিক, উঃ মাঃ ( বিজ্ঞান )

মেঘৰ মাদলত বহাগৰ জ্ৰাননী
কুলি কেতেকীৰ গীতত অজান
দেশৰ বিৰ্নাণ
হৃদয়ত সৃষ্টিৰ অনন্ত বাসনা
উন্মাদনা লৈ মই ঘূৰি ফুৰিছিলো
তোমাক বিচাৰি
দুচকুত স্বপ্নৰ কাজল সানি
তোমাক দেখিছিলো দূৰৈৰ বালিৰ
দ'মৰ ওপৰত
মুখত শুকাইছিল মোৰ দুখৰ চকুলো
তোমাৰ হাত বাউলিয়ে কাঢ়ি নিছিল
মোৰ সমস্ত সত্বা ॥

* * *

# প্ৰণয় তীৰ্থ

শ্ৰীসুদৰ্শন কলিতা
১ম বাৰ্ষিক, স্নাতক মহলা

চিৰ প্ৰবাহমান কল্লোলিনীৰ
অশান্ত আৰ্তনাদ আৰু সীমাহীন কলৰৱ
চন্দ্ৰমাৰ বিমল জোংস্নাত
সুন্দৰ নৃত্যৰ মূৰ্ছনা
প্ৰণয় প্ৰবাহী হৃদয়ৰ পৰিবৃত্তভাত
উন্মনা মনৰ সচেতন নিয়ন্ত্ৰণ
অদূৰত অহৰ্নিশে বাজে প্ৰণয় সংকেত
প্ৰাণৰ মাজত স্পন্দিত হয়
কম্পিত বাসনা
ঘৃণা ক্ৰোধ অহংকাৰ তমসা বিনাশী
সৃষ্টি শিখাই আনি দিয়ে অতৰ্কিতে
প্ৰণয়ৰ প্ৰত্যূষ প্ৰগতি
জীৱনৰ দুকূল ওপচাই।

* * *

# ছমৰীয়া এটি নিশা

শ্ৰীনীলমণি মহন্ত
১ম বাৰ্ষিক, স্নাতক মহলা

তিবাশীৰ বাব ফেব্ৰুৱাৰীৰ সেই নিশাটো
এটি কাল নিশা—এটি পিশাচী নিশা
বৰ ভয়ানক সেই নিশা
আমি সকলোৱে শুই আছিলো
কিন্তু সাৰে আছিল পহৰাদাৰ বোৰ
সিহঁতে দেখিছিল কিছুমান জুইশিখা
আমি সাৰ পালো
আমি এন্ধাৰতে সাৰ পালো
জুই শিখাবোৰ ক্ৰমশঃ আগবাঢ়ি আহিছে
প্ৰতিজনৰ হাতত মৰণাস্ত্ৰ
কুৎচিৎ চিঞৰে অন্ধকাৰ ৰাতিৰ আকাশ
কঁপাই তুলিছে
পহৰাদাৰীৰ বন্দুকৰ গুলিয়েও সিহঁতৰ
গতিৰোধ কৰিব পৰা নাই
আমাৰ বুকুবোৰ ক্ষন্তেকৰ বাবে
কঁপি উঠিছে
তাৰ পিছত আমাৰ শিৰাই শিৰাই
প্ৰবাহিত হ'ল প্ৰতিৰোধৰ উত্তপ্ত তেজ
চেনেহৰ গাওঁখন ৰাখিব লাগিব
পণ লৈ মঞ্জু গঙ্গা ৰজনীয়ে
দেওধনী নাচি সাৱটিলে অমৰ মৃত্যুক।

* * *

## — এতিয়া সময় —

শ্ৰীনন্দলাল তুলশীয়াৰী
২য় বাৰ্ষিক, উঃ মাঃ ( কলা )

নগ্ন সভ্যতাৰ গাভৰু বুকুত
মূৰ গুজি শুই পৰে
সময় — এতিয়া
অস্থিৰ আৰু উদ্বিগ্নতাত
ইতিহাসে কেৱল চিঞৰিছে।
কোলাহল বোৰ সাম কাটিলেই
কলিজাৰ কেঁচা তেজ শুঙি
নামি আহে আন এখনি
ৰক্তৰ নদী।
সেই নদীৰ পাৰত থিয় হৈ
আমি কেৱল সূৰ্যোদয় চাইছোঁ ॥

* * *

## → জীৱন তৃষ্ণা ←

শ্ৰীবীৰেন চন্দ্ৰ ৰাভা
১ম বাৰ্ষিক, স্নাতক মহলা

হৃদয়ত প্ৰেমৰ অনুৰাগ
তোমাক ভাল পোৱাৰ পিচতো
মন মোৰ মিলি আছে
মাটিৰ সতে
তোমাৰ প্ৰেমৰ প্ৰধান প্ৰতিদ্বন্দী
প্ৰতিডোখৰ সতেজ সজীৱ মাটি
মাটিৰ প্ৰতিটো অনুত লাগি আছে
মোৰ কলিজাৰ স্পন্দন
লাগি আছে হৃদয়ৰ অনাবিল
অনুৰাগ।

* * *

# মৰমৰ চুনুৰীয়া

শ্ৰীহৰিনাৰায়ণ ৰয়
১ম বাৰ্ষিক, স্নাতক মহলা

চিৰ সেউজীয়া আই চুনুৰীয়া
তুমি আচলৰ জীয়া,
আগমত আছে ব্ৰহ্মপুত্ৰ হেনো
এদিন কৰিব বিয়া।
ব্ৰহ্মপুত্ৰ হেনো সেই ষণ্ডতেই
লাহে লাহে ইফলীয়া,
দ্বাপৰৰ শেষ কলিৰ আদিত
তাহানিতে কই যোৱা।
জোনাকে হাঁহিব তৰাই নাচিব
ফেচুৱে উৰুলী দিব,
কুলি বাইদেৱে বিয়া নাম দিব
কাকে খাবলৈ মাতিব।
সেউজীয়া বন কৰে বিতোপন
কেতেকী কাচও ফুল
শিল কেইটিও বাগৰি জুগৰি
আনন্দত বিয়াকুল।
সন্যাসী মন্দিৰ ভৱাল মন্দিৰে
তোমাৰ গুণকে গায়,
কণ্টক নেওঁচি আকাশী গঙ্গাও
চৰণ ধুৱাই যায়।
তোমাৰ বুকুত অলেখ মন্দিৰ
শত নিজৰাৰ দান,
লক্ষ্মী শিল এটা আহু শালি মিলি
পৃথিবীক দিয়ে ধান।
আশা মৰীচিকা নিশাৰ জোনৰ
বিচিত্ৰ পুৰীৰ খেলা,
বিধিৰ লিখন নাযায় খণ্ডন
অপূৰ্ব তেওঁৰ লীলা।

* * * * *
* * *
*

# — অনুভূতি —

শ্রীসুনীল ঠাকুৰীয়া
১ম বাৰ্ষিক, স্নাতক মহলা

কোনো এক জোনাক নিশাত
দৃষ্টি মোৰ নিবিষ্ট
এক নব অনুভূতিত।
দুটি নয়নৰ প্ৰতিফলনৰ
মসৃন ফলকেৰে
দুনাই দৃষ্টি নিক্ষেপৰ
নাই প্ৰয়োজন,
হে আছা বন্দী তুমি
মোৰ হৃদয় কাৰাগাৰত।

* *

# — পৰিচয় —

শ্ৰীদেৱেনদীপ বৰ্মণ
১ম বাৰ্ষিক, স্নাতক মহলা

জীৱনৰ সোনোৱালী দিনবোৰ
শেষ হ'ল পলকতে
ছন্দহাৰা গতিৰ
প্ৰতিটো খোজত
থাকি গ'ল
পোৱা নোপোৱাৰ
হিচাব অলেখ
এন্ধাৰ আৰু শূন্যতাৰ মাজত
জীৱনৰ এই কঠিন বাট
মই গৈ আছো — মই নাজানো
মই কলৈ গৈছো
বোধহয় যাৰ পৰাটোৱে
এতিয়া মোৰ বাবে জীৱনৰ
শেষ লক্ষ্য।

* *

# মন যায়

মিচ্ নীৰা ৰায়ন
১ম বাৰ্ষিক, উঃ মাঃ ( কলা )

মন যায় মোৰ—
এটি সৰু বিহঙ্গ হৈ—
গছৰ ডালে পাতে
মুক্তমনে উৰি ফুৰিবলৈ।
মোৰ মন যায়—
এটি সুন্দৰ ফুলহৈ
চৌপাশে সুগন্ধৰ
মেলা পাতিবলৈ।
মন যায় মোৰ—
সমুজ্বল জোনহৈ—
নিশাৰ এন্ধাৰ নেওঁচি
জগতত পোহৰ বিলাবলৈ।
মোৰ মন যায়—
এটি খৰ—স্ৰোতা নিজৰা হৈ
জিৰ্‌ জিৰ্‌ কৈ বৈ গৈ
মানুহৰ মন মুহিবলৈ।
মন যায় মোৰ—
মানুহৰ মনত সন্ত্ৰাসৰ সৃষ্টি কৰা
বাৰিষাৰ নদীৰ কোবাল সোঁত হৈ
পৃথিবীৰ আৱৰ্জনা ধুই নিবলৈ।
মোৰ মন যায়—
প্ৰলয়ঙ্কাৰী বানহৈ
কুণ্ঠিত মনৰ মানুহবোৰৰ
মনৰ কলুষতা মচিমূৰ কৰিবলৈ।

✯ ✯

# স্বাগত সময়ত

শ্ৰীৰঞ্জিত কুমাৰ বাভা
২য় বাৰ্ষিক. উঃ মাঃ

মই জানিছিলোৱেই তুমি যে এদিন আহিবা
কঠিন সময়ৰ কদৰ্য ইতিহাস গৰকি
তুমিতো জানা কাহানিও ৰাখিব নোৱাৰি ঢাকি
বোলিৰ ৰঙা কলিজাৰ সুগন্ধি সুবাস
বালিৰ নিসীম খোজত
মই চিৰ দিনৰ বাবে লগ পাব পাবো নে তোমাক
তোমালোকৰ বিশ্বাসে তোমালোকৰ আদৰ্শই
দেশৰ স্বাধীনতা, গণতন্ত্ৰ. সমাজতন্ত্ৰৰ
শলিতাগছি জ্বলাব
উৎকণ্ঠিত বিশ্বৰ প্ৰান্তৰে প্ৰান্তৰে
শান্তি সম্প্ৰীতিৰ হুকে মাত মাতিব
শ্বাশ্বত প্ৰেমৰ কঠিন সংগ্ৰামে
পোহৰাই দিব অন্ধকাৰাচ্ছন্ন পথ
তুমিতো জানা — হে প্ৰিয় বন্ধু
সংগ্ৰামৰ কঠিন দুৱাৰ খুলিবলৈ গৈ
আমি কতবাৰ হেৰুৱালো আপোনজনৰ তেজ
তথাপিও আমি দেখো একো পোৱা নাই
সোণ বৰষা বুকুত
হিংসুক চোকা দাঁতৰ আঁচোৰ
সিহঁতৰ নিৰ্লজ্জ আক্ৰমণ
আস্ — বৰ বিষাদ সেই যন্ত্ৰণা
বন্ধু তুমি আকৌ আহিছা বাধাৰ প্ৰাচীৰ ভাঙি
সেউজবুলীয়া বনানিৰ মাজেদি
মেঘালীৰ চুলি ফালি
এতিয়া এজাক কপোৰ আনন্দ কিৰিলি।

০০০

# — তুমি —

শ্ৰীগৌৰাঙ্গ চৌধুৰী
১ম বাৰ্ষিক, স্নাতক

তুমি সচাঁকৈয়ে আজন্ম শান্তিৰ পাৰ
অতুলনীয় শক্তি-সাহস-সৌন্দৰ্যৰ
সমাহাৰ তোমাৰ বুকুত।
ক'ত যুগ বগাই আহিছা সভ্যতাৰ জখলা
অতীতত নেওচিচা সহস্ৰ শত্ৰুৰ বাধা বাৰে বাৰে
অম্লাণ তোমাৰ উন্মুক্ত পাখি।
এতিয়াও হোৱা নাই শেষ কালৰ আক্ৰমণ
ভিতৰত ভাতৃঘাতী কন্দলৰ কদোৰ বাঁহ
বাহিৰত আগ্ৰাসী চিকাৰীৰ টুনত এমুঠি বিষাক্ত শৰ
যেন এই আহে তোমাৰ বুকু বিদাৰিবৰ বাবে
জানো ব্যৰ্থ সেই শৰ উৰ্ভতিৰ চিকাৰীৰ ফালে
তুমিযে সুদৰ্শন দৰ্শনৰ নাবিক
তুমিযে শ্বাশ্বত শান্তি-শংখ
হিংসান্মোত্ত পৃথিৱীত।

* * *

# কবি-শিল্পী ৰমেশ্বৰ মৃত্যুত

বসন্ত দত্ত
মুখ্বী অধ্যাপক,
অসমীয়া বিভাগ

প্ৰাণ ঢালি মুক্তিৰ গীত গোৱাটো
ইমান দিনে অপৰাধ বুলি গণ্য কৰিছিল
সিহঁত বৰ্বৰতাৰ শেষ বিন্দুলৈ আগবাঢ়িছিল
শালীনতাৰ সীমা হেৰুৱাই
অশ্লীল উল্লাসৰ চোকা চুৰিৰে
তোমাৰ বুকুত আঘাত হানিছিল বাৰে বাৰে
অথচ তোমাৰ মুখত নিৰ্বিকাৰ ৰঙচুৱা হাঁহি,
প্ৰত্যয়ৰ সেই একেই প্ৰশান্ত হাঁহি
সনাতন আদিম পুৰাৰ
শপত আছিল হাঁহিবোৰ বিলাই দিয়াৰ
প্ৰতিজন মানুহৰ মৌন মুখত ।
সময়ৰ সাঁকিয়নী শুনিছিলা কান পাতি
সেয়ে লিখি গ'লা কোমল কবিতা
অস্তিত্বৰ কঠিন পাতত ।
কিমান যে ভাল পাইছিলা জীৱনটোক
মৃৰ তুলি জীয়াই থাকিব খুজিছিলা
দুৰ্গম পাকলগা সুন্দৰ পৃথিবীত

তথাপি,—

তথাপি জেঠৰ জুইলগা দুপৰীয়াটো বব
সোণকালে আহিল সংগোপন সংগীনৰ দৰে
তুমি অহা বাটেৰে গুচি গ'লা
তোমাৰ প্ৰাণহীন দেহত উপচি পৰিছিল
নিবিচৰা অলেখ ফুলৰ মালা
শান্তিৰ কোলাত শুই আকৌ এবাৰ হাঁহিছিলা
বোধহয় সেই হাঁহি বিদ্ৰুপৰ কৰুণ হাঁহি
সেই হাঁহি নিৰ্বাক স্বাধীন প্ৰত্যুত্তৰ
ঘাতকৰ চাবুকৰ আঘাতৰ
যদিওবা সজ্জন আজি অসহায়
তোমাৰ শপত নহয় ব্যৰ্থ
তুমিযে জুইৰ শিখাৰে অভিষিক্ত
সিদিনা চিতাৰ জুইকুৰা বৰ ৰঙাকৈ জ্বলিছিল
কলিজাৰ ৰঙা ৰঙ সানি
এতিয়া সেই জুইৰ উত্তাপ
প্ৰতিবেশী পাষাণ বুকুত। □

## সংগ্ৰহ ঃ

এনে এটা দিন আছিল
যেতিয়া আমাৰ গানত আছিল
প্ৰকৃতিৰ অপৰূপ ৰূপৰ বৰ্ণনা ঃ
ফুল জোন নদী পৰ্বত পাহাৰ
কুঁৱলী আৰু বতাহৰ গান।

কিন্তু এতিয়া সলনি হ'ল দিন কাল সময়ৰ,
এতিয়া আমাৰ কবিতাত মাথো
তীখাৰ তীক্ষ্ণ শব্দ—
আজিৰ কবিয়ে নেতৃত্ব দিব লাগিব
কাইলৈৰ যুদ্ধৰ।

— হো চি মিন
(অনুবাদ—ৰবীন্দ্ৰ চৰকাৰ
অৰুনী চক্ৰৱৰ্তী সম্পাদিত ' হোচিমিনৰ
কবিতা'ৰ পৰা)

আংগিক আৰু বিষয়বস্তুত ' গণতান্ত্ৰিকতা'ক মনে প্ৰাণে বিশ্বাস কৰা দক্ষিণ আমেৰিকাৰ চিলিৰ কবি পাব্লু নেৰুদাৰ কবিতা ঃ

প্ৰতিদিনেই মই কিবা এটা শিকোঁ,
চুলি আচোঁৰোতে প্ৰতিদিনেই
তোমালোকে যি ভাবা ময়ো ভাবোঁ
মই খোজ কাঢ়ো
তোমালোকে যেনেকৈ খোজ কাঢ়া
আহাৰ খাওঁ তোমালোকে যেনেকৈ খোৱা
দুহাতেৰে সাৱটি লওঁ মোৰ চেনেহীক
তোমালোকে যেনেকৈ লোৱা তোমালোকৰ চেনেহীক

আৰু তাৰ পিচত
সকলো জনা হৈ গ'লে
ইজন সিজনৰ সমান হৈ গ'লে
মই লেখোঁ, তোমালোকৰ আৰু
মোৰ জীৱনেৰে।

* * *

আন কিতাপৰ কয়দী হবলৈ মই নেলেখোঁ
নাইবা লিলিৰ দৰদীহঁতৰ কয়দী হবলৈ
মই লেখোঁ আন দহজন যাত্ৰীৰ বাবে
যাৰ প্ৰয়োজন জোনাক আৰু পানীৰ,
সংহতিৰ অবিনশ্বৰ বেদীৰ—
ৰুটি, মদ, স্কুলঘৰ, গিটাৰ আৰু হাতীয়াৰৰ।

(উদ্ধৃত কবিতাৰ পংক্তি ডঃ হীৰেন গোহাঁইৰ " সাহিত্য আৰু চেতনা'ৰ পৰা)